# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-06-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
- - - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাত কেইবাটাও প্ৰকল্প আৰু আঁচনিৰ আধাৰশিলা স্থাপনৰ লগতে উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ বেবেজীয়াৰ কমাৰটুপ, অঞ্চলত ২৬ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰে। ১৬ বিঘাৰো অধিক ভূমি সামৰি এই ৰান্ধনিঘৰটো নিৰ্মাণ কৰা হ'ব। চলিত বছৰৰ ছেপ্তেম্বৰৰ ভিতৰত ইয়াৰ নিৰ্মাণ কাৰ্যস সম্পৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীয়ে কালি ডিব্ৰুগড়ত এনে এটা সমূহীয়া ৰান্ধনী ঘৰ মুকলি কৰে। ড° শৰ্মাই ৬৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীযা দ্বিতীয় পৰ্যায়ৰ উত্তৰ লখিমপুৰ নগৰৰ পানীযোগান আঁচনি আৰু উত্তৰ লখিমপুৰ ইক' পাৰ্কৰ আধাৰশিলা স্থাপন কৰে। এই আঁচনিৰ অধীনত ৮ দশমিক ৭ - ০ মিলিয়ন লিটাৰ বিশুদ্ধ খোৱাপানী দৈনিক যোগান ধৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ দ্বাৰা অঞ্চলটোৰ ৭ হাজাৰ ১৩ টা পৰিয়াল উপকৃত হ'ব। তেওঁ লগতে বিলুপ্তপ্ৰায় গছৰ সংগ্ৰহালয় আৰু বাঁহজাতীয় গছৰ ঘন বনাঞ্চলেৰে ১৬ বিঘা ভুমি  সামৰি স্থাপন হ'বলগীয়া উত্তৰ লখিমপুৰ ইক' পাৰ্কৰ আধাৰশিলাও স্থাপন কৰে। দিনৰ ভাগত মুখ্যমন্ত্ৰীগৰাকীয়ে ৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা লখিমপুৰ জিলা পৰিষদৰ নতুন কাৰ্যালয় ভৱন উদ্বোধন কৰে। তেওঁ জিলাখনত ৰাষ্ট্ৰীয় গকুল মিছনৰ অধীনত চাৰে চাৰি কোটি টকা ব্যয়েৰে নিৰ্মিত বৃত্তিমূলক প্ৰশিক্ষণ প্ৰতিষ্ঠান, ইন্দোৰ ষ্টেডিয়াম, ব্যায়ামাগাৰ আৰু কেণ্টিনগৃহ তথা অতিথিশালাও উদ্বোধন কৰে। জিলাখনত মুখ্যমন্ত্ৰীয়ে সৰ্বমুঠ ১১০ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে। এই কাৰ্যসূচীত মন্ত্ৰী ডাঃ ৰণোজ পেগু, জয়ন্ত মল্লবৰুৱা, সাংসদ প্ৰদান বৰুৱাকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতা উপস্থিত থাকে।

০০০০০

তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ অধীনস্থ ১৪৭ নম্বৰ ৰীগত হোৱা গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে প্ৰচেষ্টা চলি থকাৰ লগতে কাষৰীয়া অঞ্চলসমূহৰ জনসাধাৰণ তথা পশুধনৰ সুৰক্ষাৰ বাবে ব্যৱস্থা লোৱা হৈছে। জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে ২৪ ঘণ্টাই দণ্ডাধীশ পৰ্যায়ত তদাৰক কৰি থকা হৈছে। তদুপৰি ঘটনাস্থলীৰ নিকটৱৰ্তী নাগৰিকসকলক বিশুদ্ধ খোৱাপানী আৰু আহাৰ যোগান ধৰি থকা হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগে অঞ্চলটোত স্বাস্থ্য শিবিৰো মুকলি কৰিছে। জিলা অগ্নি নিৰ্বাপক বাহিনী, তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অগ্নি নিৰ্বাপক বাহিনী, অসামৰিক প্ৰতিৰক্ষা বিভাগ আৰু জৰুৰীকালীন সেৱা বিভাগৰ বিষয়া-কৰ্মচাৰীৰ সহযোগত গেছ নিৰ্গমন ৰোধৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। তদুপৰি ঘটনা সংঘটিত হোৱা স্থানৰ পৰা ১ কিলোমিটাৰ নিলগলৈ বায়ুৰ গুণাগুণ পৰীক্ষাৰ বাবে স্থায়ী যন্ত্ৰ স্থাপন কৰা হৈছে। এই বায়ু নমুনাৰ তথ্য অনুযায়ী বায়ু প্ৰদূষণৰ মাত্ৰা এতিয়াও সহনীয় সীমাৰ ভিতৰত আছে। ইপিনে ৰীগটোৰ পৰা অবিৰতভাৱে হৈ থকা নিৰ্গমন সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰিব পৰা হোৱা নাই যদিও

বিশেষজ্ঞৰ দ্বাৰা প্ৰচেষ্টা চলাই থকা হৈছে। উল্লেখযোগ্য যে যোৱা বৃহস্পতিবাৰে দুপৰীয়া তেল কূপটোত গেছৰ নিৰ্গমন আৰম্ভ হয়। প্ৰচণ্ড শব্দৰে নিৰ্গত হোৱা এই গেছৰ ফলত জনস্বাস্থ্যৰ প্ৰতি সৃষ্টি হোৱা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে সমীপৰ ৭০টা পৰিয়ালক সেই অঞ্চলৰ পৰা স্থানান্তৰ কৰে। শুকুৰবাৰে ৰিগটোৰ দায়িত্ব বিশেষ সংকট নিয়ন্ত্ৰণ দলক অৰ্পণ কৰা হৈছিল আৰু সম্প্ৰতি জাংক শ্বট অপাৰেচন নামৰ বিশেষ ব্যৱস্থাৰে গেছ নিৰ্গমন ৰোধৰ কাম কৰি থকা হৈছে।

ইপিনে, এই ঘটনাই আজি পঞ্চম দিনত ভৰি দিয়াৰ ফলত অসমীয়া যুৱ মঞ্চই প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত কৰে। সংগঠনটোৱে এছ কে পেট্ৰ'ল নামৰ ব্যক্তিগত প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে এজাহাৰ জাখিল কৰিছে। অঞ্চলটোৰ ৰাইজে ততালিকে এই সমস্যাৰ সমাধান কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।

ooooo

চৰাইদেউ জিলাৰ সোনাৰিত আজি সুলভ মূল্যৰ দোকানী আৰু গাঁও পঞ্চায়ত সমবায় সমিতিৰ সৈতে মন্ত্ৰী কৌশিক ৰায়ে এখন সজাগতামূলক সন্মিলনত অংশ লয়। বিশেষ অন্নসেৱা দিনকে আদি কৰি মচুৰ দাইল, চেনি আৰু নিমখৰ ৰাজ সাহায্যযুক্ত মূল্যৰ দিশত সজাগতা সৃষ্টিৰে এই সন্মিলন অনুষ্ঠিত কৰা হয়। উল্লেখযোগ্য যে অহা নৱেম্বৰ মাহৰ পৰা চৰাইদেউ জিলাৰ ৰেচন কাৰ্ডৰ হিতাধিকাৰীসকলে বজাৰ মূল্যতকৈ কম দৰত মচুৰ দাইল আৰু চেনি লাভ কৰিব। প্ৰতিখন ৰেচন কাৰ্ডৰ হিতাধিকাৰীসকলে এক কিলোগ্ৰামকৈ মচুৰ দাইল, চেনি আৰু নিমখ লাভ কৰিব। হিতাধিকাৰীসকলে অন্নসেৱা দিনত সুলভ মূল্যৰ দোকানৰ পৰা এই সামগ্ৰীসমূহ সংগ্ৰহ কৰিব পাৰিব।

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আজি কম্পাৰ্টমেণ্টেল পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। ঘোষিত ফলাফল অনুসৰি পৰীক্ষাত উত্তীৰ্ণৰ হাৰ ২৫ দশমিক ০-৯ শতাংশ। পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ ৫৪ হাজাৰ ৬৩৬ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৪২২ গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। ৮ হাজাৰ ৯৭৫ গৰাকী পৰীক্ষাৰ্থী দ্বিতীয় বিভাগত আৰু ৪ হাজাৰ ১৮৮ গৰাকী পৰীক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। ইপিনে কম্পাৰ্টমেণ্টেল পৰীক্ষাত উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে বিদ্যালয় শিক্ষা পৰিষদে কাইলৈৰ পৰা ২৬ জুনলৈ দৰ্পণ প'ৰ্টেল মুকলি কৰাৰ কথা ঘোষণা কৰিছে। এই সন্দৰ্ভত পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি সকলো শিক্ষাৰ্থীয়ে নিৰ্ধাৰিত সময়ৰ ভিতৰত আবেদন কৰিব লাগিব। একেদৰে শিক্ষানুষ্ঠানসমূহে অহা ২ জুলাইৰ ভিতৰত নামভৰ্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব। নামভৰ্তি সংক্ৰান্তিয় তথ্যৰ বাবে শিক্ষাৰ্থীসকলে ahsec.assam.gov.in আৰু darpan.ahsec.online.in ৱেবছাইট চাব পাৰিব। অফলাইন নামভৰ্তি কোনো পৰিস্থিতিতে গ্ৰাহ্য কৰা নহ'ব বুলি পৰিষদে নিৰ্দেশনাত স্পষ্ট কৰি দিছে।

ooooo

সমাপ্ত